আন্তঃৰাষ্ট্ৰীয়

মিয়ামি বিমানবন্দৰত দুই বিমানৰ সংঘৰ্ষ, আহত দুজন

মিয়ামি আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত টেক্সিৱেত ইউপিএছৰ কাৰ্গো বিমান আৰু কোপা এয়াৰলাইনছৰ যাত্ৰীবাহী বিমানৰ সংঘৰ্ষত দুজন সামান্য আহত হৈছে।

প্ৰকাশ: ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৭



মিয়ামি, ১৫ নৱেম্বৰ: আমেৰিকাৰ মিয়ামি আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত টেক্সিৱেত চলাচল কৰি থকা অৱস্থাত ইউপিএছৰ এখন কাৰ্গো বিমান আৰু কোপা এয়াৰলাইনছৰ এখন যাত্ৰীবাহী বিমানৰ মাজত সংঘৰ্ষ সংঘটিত হৈছে। শনিবাৰে নিশা হোৱা এই ঘটনাত দুজন লোক সামান্য আহত হয়।

স্থানীয় সময় অনুসৰি নিশা প্ৰায় ৯ বাজি ১৫ মিনিটত বিমানবন্দৰখনৰ দুটা টেক্সিৱেৰ সংযোগস্থলীত সংঘৰ্ষটো হয়। আমেৰিকাৰ ফেডাৰেল এভিয়েশ্যন এডমিনিষ্ট্ৰেচনে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

কোপা এয়াৰলাইনছৰ ব'য়িং ৭৩৭ বিমানখনৰ সন্মুখভাগত ইউপিএছৰ ব'য়িং ৭৬৭ কাৰ্গো বিমানখনৰ আগভাগত খুন্দা লাগে। পানামা চিটিৰ পৰা মিয়ামিত উপস্থিত হোৱাৰ পাছত কোপাৰ বিমানখন নিৰ্ধাৰিত গেটৰ দিশে গৈ আছিল।

ইফালে, ইউপিএছৰ কাৰ্গো বিমানখনে কলম্বিয়াৰ ৰাজধানী বোগোটালৈ উৰা মৰাৰ প্ৰস্তুতি চলাই আছিল।

ফেডাৰেল এভিয়েশ্যন এডমিনিষ্ট্ৰেচনে জনোৱা অনুসৰি, বিমান চলাচল নিয়ন্ত্ৰণ বিভাগে ইউপিএছৰ পাইলটসকলক কোপা এয়াৰলাইনছৰ বিমানখনক বাট এৰি দিবলৈ নিৰ্দেশ দিছিল। কিন্তু টেক্সিৱেৰ সংযোগস্থলীত

দুয়োখন বিমানৰ সংঘর্ষ ঘটে।

ঘটনাৰ পাছত বিমান চলাচল নিয়ন্ত্রণ বিভাগ আৰু পাইলটসকলৰ মাজত হোৱা কথোপকথনৰ অডিঅ' ৰেকর্ডিং পোহৰলৈ আহিছে। কোপা এয়াৰলাইনছৰ এজন পাইলটে সংঘর্ষৰ কথা জনোৱাৰ পাছত ইউপিএছৰ পাইলটেও নিজৰ বিমানখন নির্ধাৰিত স্থানতকৈ আগবাঢ়ি যোৱাৰ কথা স্বীকাৰ কৰে।

আহত দুয়োজনকে ঘটনাস্থলীতে প্রাথমিক চিকিৎসা দিয়া হয়। তেওঁলোকক চিকিৎসালয়লৈ নিয়াৰ প্রয়োজন হোৱা নাছিল বুলি বিষয়াসকলে জনাইছে। ঘটনাটোৰ প্রকৃত কাৰণ নির্ণয়ৰ বাবে তদন্ত অব্যাহত আছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3319/miami-airport-ups-copa-plane-collision